**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-02-2026 **Time :** 1100 Hrs.

0000000000

১। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলামন্দিৰৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত যুৱ উদ্যমীসকলৰ মাজত প্ৰথম কিস্তিৰ ধন বিতৰণ।

২। ৰাজ্যৰ ৮৩৬ খন বাগিচাত মাটিৰ পট্টাৰ বাবে ৯ ফেব্ৰুৱাৰীত প্ৰ-পত্ৰ বিতৰণৰ শুভাৰম্ভণি।

৩। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশন উপলক্ষে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত উদুলি-মুদুলি পৰিৱেশ।

আৰু

৪। আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আৰম্ভ। উদ্বোধনী মেচত পাকিস্তান নেডাৰলেণ্ডছৰ মুখামুখি।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৭৪ হাজাৰ যুৱ উদ্যমীৰ মাজত প্ৰথম কিস্তিৰ ধন হিচাপে এহেজাৰ ৪৮২ কোটি টকা বিতৰণ কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে এই ধনৰাশিৰ সদব্যৱহাৰ কৰি সফল হোৱা উদ্যমীসকলক তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত পুনৰ ১ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০০০০

অহা ৯ ফেব্ৰুৱাৰীত চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। সেই দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ কৰিব। ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰ-পত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ইপিনে, বাগান কৰ্তৃপক্ষ আৰু প্ৰতিনিধিসকলক এই আঁচনিৰ বিষয়ে অৱগত কৰাবৰ বাবে শিৱসাগৰ জিলা কাৰ্যালয়ত কালি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নাজিৰা সমজিলা আয়ুক্ত, চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, চাহ বাগিচাৰ বিষয়ববীয়া, চাহ শ্ৰমিকৰ প্ৰতিনিধি আৰু অন্যান্য কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচী সফল কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰতিখন বাগিচাৰ তত্বাৱধান কৰিবৰ বাবে এজনকৈ বিষয়া নিয়োগ কৰিছে।

০০০০০০০

আকাশবাণীৰ লেখনিক আকাশবাণীৰ সাহিত্য হিচাপে গন্য কৰিব পাৰি। শিৱসাগৰত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত কালি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ উদ্যোগত ৰেডিঅ' সাহিত্য শীৰ্ষক আলোচনা চক্ৰত এই

বিষয়ে আলোচনা কৰা হয়। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ মুৰব্বী লোহিত ডেকাৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাত চক্ৰত অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক সত্যকাম বৰঠাকুৰে কয়, যে অনাতাঁৰৰ বিভিন্ন অনুষ্ঠানত প্ৰচাৰিত লেখনিসমূহ আনতকৈ সদায় পৃথক আৰু সেয়ে এই লেখাসমূহক আকাশবাণীৰ সাহিত্য হিচাপে বিবেচনা কৰা উচিত। অনুষ্ঠানত অংশ লৈ সাহিত্যিক, শিক্ষাব্ৰতী কৰবী ডেকা হাজৰিকাই অসমীয়া আধুনিক গীতক আকাশবাণীয়ে বিশেষ মাত্ৰা দিয়া বুলি উল্লেখ কৰে। তেওঁ কয়, যে আকাশবাণীত প্ৰচাৰৰ পাছতহে অসমীয়া গীতৰ কথাসমূহ গীতি সাহিত্যলৈ পৰিণত হ'ব পাৰে। এই গীতৰ কথাত সময়, প্ৰকৃতি, সংস্কৃতি, ইতিহাস, পৰম্পৰা আৰু বিশেষকৈ পৰিৱৰ্তিত অসমীয়া সমাজক অতি সুন্দৰভাৱে তুলি ধৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

ফেডাৰেছন অৱ ইণ্ডিয়ান পেট্ৰলিয়াম ইণ্ডাষ্ট্ৰিয়ে দেশৰ ৰাজহুৱা খণ্ডৰ মহাৰত্ন উদ্যোগ প্ৰতিষ্ঠান অয়ল ইণ্ডিয়া লিমিটেডক অয়ল এণ্ড গেছ প্ৰডাক্সন কোম্পানী অৱ দ্যা ইয়েৰ -২০২৫ বঁটা প্ৰদান কৰে। জাতীয় উদ্যোগ প্ৰতিষ্ঠানটোৱে ভাৰতৰ শক্তিখণ্ডলৈ আহবঢ়োৱা অৱদান আৰু উৎকৃষ্ট প্ৰদৰ্শনৰ স্বীকৃতিস্বৰূপে এই বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

দক্ষিণ শালমাৰা - মানকাছৰ জিলাত চাইবাৰ অপৰাধী চক্ৰই জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ নাম আৰু ফটো ব্যৱহাৰ কৰি ভুৱা হোৱাটছএপ একাউণ্ট খুলি ধন দাবী কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি কয় যে তেওঁৰ নামত ভুৱা নম্বৰ, ফটো আৰু একাউণ্টযোগে ধন দাবী কৰা লোকক কোনোৱে যাতে ধন নিদিয়ে আৰু এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে ৰাইজক অচিনাকী আন্তঃৰাষ্ট্ৰীয় নম্বৰৰ পৰা অহা বাৰ্তালৈ সহাৰি নজনাবলৈ আৰু কোনো ধৰণৰ ধন প্ৰদান নকৰিবলৈ আহ্বান জনাইছে। সন্দেহজনক একাউণ্ট তৎক্ষণাত ব্লক কৰি দিবলৈও তেওঁ জনসাধাৰণক আহ্বান জনায়।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। আজি পুৱা প্ৰাতঃ প্ৰসংগৰে অধিবেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয়। অধিবেশনৰ প্ৰথম দিনা কালি ৭ সহস্ৰাধিক ভকত বৈষ্ণৱে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী শীৰ্ষক গীত সমস্বৰে পৰিৱেশন কৰে। অধিৱেশনথলীত কালি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্মৃতিগ্ৰন্থ ভকতিধাৰা উন্মোচন কৰা হয়। সংঘৰ অধিবেশন সন্দৰ্ভত দলগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা সংঘৰ সদস্য ড০ সুৰুয জ্যোতি বৰুৱাই এইদৰে কয়-——- (বাইট)

অধিৱেশনৰ আজি দ্বিতীয় দিনা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। ০০০০০

০০০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'চবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাই যুটীয়াভাৱে আয়োজন কৰা আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আৰম্ভ হ'ব। অহা ৮ মাৰ্চলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত ২০ দলে অংশগ্ৰহণ কৰিছে। ভাৰত আৰু শ্ৰীলংকাৰ বিভিন্ন স্থানত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব। আজি হ'বলগীয়া তিনিখন খেলৰ কলম্বোৰ ছিনহালিচ স্পৰ্টছ ক্লাবত হ'বলগীয়া প্ৰথমখন খেলত পাকিস্তান নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত নেডাৰলেণ্ডছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১২ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ৯৪ ৰান সংগ্ৰহ কৰিছে।

আজিৰ দ্বিতীয়খন খেল কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি ৩ বজাত ৱেষ্ট ইণ্ডিজ আৰু স্কটলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব আৰু মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া তৃতীয়খন খেলত ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ ২৮ খন মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল দত্তই শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে। একেদৰে ডি কে ডি কলেজৰ ৰশ্মি ছেত্ৰী শ্ৰেষ্ঠ মহিলা খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০০০

১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে অভিলেখসংখ্যক ছবাৰৰ বাবে খিতাপ দখল কৰিছে। জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে-কালি ইংলেণ্ডক ১০০ ৰানত পৰাস্ত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ৪১১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০টা বলত ১৭৫ ৰান কৰাৰ লগতে আয়ুষ মাহাত্ৰে ৫৩ আৰু অভিজ্ঞান কুন্দুৱে ৪০ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ জেমছ মিণ্টুৱে তিনিটা উইকেট দখল কৰাৰ লগতে চেবাষ্টিয়ান ম'ৰগান আৰু এলেক্স গ্ৰীনে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ৪০ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ কেলেব ফেলক'নাৰে সৰ্বাধিক ১১৫ আৰু বেন ডকিন্সে ৬৬ ৰান কৰে। ভাৰতৰ আৰ এছ অম্ব্ৰিছে তিনিটা আৰু দীপেশ দেবেন্দ্ৰন আৰু কনিষ্ক চৌহানে দুটাকৈ উইকেট লাভ কৰে। বৈভৱ সূৰ্যবংশীক

প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়। ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট বিশ্বকাপৰ ফাইনেলত সৰ্বাধিক ৰান কৰা আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৰ বাবে এয়া হৈছে ঐতিহাসিক জয়।
০০০০০০০০